**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-OCT-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। তিনিচুকীয়া জিলাৰ কাকপথাৰৰ সেনা চাউনীত বৃহস্পতিবাৰৰ মাজনিশা আলফা স্বাধীনৰ আক্ৰমণত তিনিজন সেনা জোৱান আহত।

২। এগৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে আজি দিনৰ ১১ বজাত ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ। বি পি এফৰ চৰণ বড়োৰ কেবিনেট মন্ত্ৰীৰূপে শপত গ্ৰহণ অনুষ্ঠান।

৩। জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰাৰম্ভিক তদন্তত কোনো ধৰণৰ সন্দেহজনক তথ্য পোৱা নাই বুলি ছিংগাপুৰ আৰক্ষীৰ প্ৰকাশ।

৪। আজি কাতি বিহু। শস্য শ্যামলা পথাৰৰ কামনাৰে কৃষিজীৱি ৰাইজৰ মংগল প্ৰাৰ্থনা।

**আৰু**

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা বৰ্ষাবিঘ্নিত খেলত দক্ষিণ আফ্ৰিকাৰ হাতত শ্ৰীলংকা ১০ উইকেটত পৰাস্ত।

oooooo

নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ এটা গোটে বৃহস্পতিবাৰৰ মাজনিশা তিনিচুকীয়া জিলাৰ কাকপথাৰৰ এক নম্বৰ চেলেংগুৰীত থকা সেনা চাউনীত আক্ৰমণৰ ফলত তিনিজন সেনাবাহিনীৰ জোৱান আহত হয়। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে সেইদিনা নিশা প্ৰায় ১২ বাজি ৪০ মিনিটত আলফা স্বাধীনৰ কেইজনমান সদস্যই এখন ট্ৰাকত আহি নাইনটিন গ্ৰেনেডিয়াৰছ ৰেজিমেণ্টৰ সেনা চাউনীলৈ লক্ষ্য কৰি নিৰ্বিচাৰ গুলীবৰ্ষণ কৰে। প্ৰত্যুত্তৰত সেনায়ো চাৰিটা ৰকেট প্ৰপেলড গ্ৰেনেডেৰে আক্ৰমণ কৰে। প্ৰায় আধাঘণ্টা ধৰি চলা সেনা আৰু আলফাৰ মাজৰ সংঘৰ্ষই কাকপথাৰবাসীৰ মাজত আতংকৰ সৃষ্টি কৰে। এগৰাকী প্ৰতিৰক্ষা মুখপাত্ৰই প্ৰকাশ কৰা মতে দুয়োপক্ষৰ মাজত ধাৰাষাৰ গুলীবৰ্ষণৰ পাছত আলফা স্বাধীনৰ দলটো পলায়ন কৰিবলৈ সমৰ্থ হয়। কৰ্তব্যৰত সেনা জোৱানসকলে অঞ্চলটোৰ জনসাধাৰণৰ যাতে কোনো ধৰণৰ ক্ষতি নহয় তাৰ বাবে তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰে বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে।

ইপিনে আলফা স্বাধীনে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰি প্ৰকাশ কৰা এটা বিবৃতিত কয়, যে এয়া আছিল সংযুক্ত মুক্তিবাহিনী অসমৰ সেনানীসকলৰ **প্ৰতিশোধ অভিযান**ৰ জৰিয়তে  ঔপনিৱেশিক ভাৰতীয় দখলদাৰী বাহিনীৰ বিৰুদ্ধে আক্ৰমণ। এই ঘটনাৰ পাছতে তিনিচুকীয়া জিলাত সুৰক্ষা বাহিনীয়ে বিশেষ সতৰ্কতা জাৰি কৰাৰ লগতে জিলাখনত উগ্ৰপন্থী কাৰ্যকলাপ বিৰোধী অভিযান তীব্ৰতৰ কৰি তুলিছে। আলফা স্বাধীনে সেনা শিবিৰ আক্ৰমনত ব্যৱহাৰ কৰা ট্ৰাকখন কালি পুৱা অসম-অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী টেঙাপানীৰ ন-দিহিং নদীৰ পাৰত উদ্ধাৰ কৰা হয়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আলফা স্বাধীনৰ আক্ৰমণ সন্দৰ্ভত কয়, যে ম্যানমাৰৰ পৰা নিয়ন্ত্ৰিত আলফা স্বাধীন আৰু অন্যান্য গোটে সমন্বিতভাৱে এনে ধৰণৰ আক্ৰমণ চলোৱাৰ চেষ্টা কৰিছে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

০০০০০০

এগৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে আজি ডং হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব। আজি দিনৰ এঘাৰ বজাত গুৱাহাটী ৰাজভৱনত হ'বলগীয়া এটা অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যই বি পি এফ দলৰ চৰণ বড়োক কেবিনেট মন্ত্ৰীৰূপে শপত বাক্য পাঠ কৰোৱাব।

উল্লেখযোগ্য যে হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বি পি এফ দলে সদ্যসমাপ্ত বিটিচি নিৰ্বাচনত অভূতপূৰ্ব সফলতা লাভ কৰাৰ পাছত দলটো শাসনাধিষ্ঠিত এন ডি এ মৰ্চাত যোগ দিয়া সন্দৰ্ভত প্ৰচুৰ সম্ভাৱনাৰ সৃষ্টি হৈছিল। পৰৱৰ্তী বিধানসভা নিৰ্বাচনলৈ ছমাহতকৈ কম সময় বাকী থকা অৱস্থাত অসম মন্ত্ৰীসভাৰ আজি হ'বলগীয়া সম্প্ৰসাৰণ ৰাজনৈতিকভাৱে বিশেষ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে।

০০০০০০

ছিংগাপুৰ আৰক্ষীয়ে জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰাৰম্ভিক তদন্তত কোনো ধৰণৰ সন্দেহজনক তথ্য পোৱা নাই বুলি আনুষ্ঠানিক বিবৃতি প্ৰকাশ কৰিছে। ছিংগাপুৰ আৰক্ষীয়ে দেশখনৰ আইন অনুসৰি জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে। তদন্ত সম্পূৰ্ণ কৰিবলৈ আৰক্ষীক আৰু তিনি মাহৰ প্ৰয়োজন হ'ব বুলি বিবৃতিটোত উল্লেখ কৰা হৈছে। ছিংগাপুৰ আৰক্ষীয়ে তদন্তত লাভ কৰা তথ্য দেশখনৰ এগৰাকী উচ্চ পদস্থ ন্যায়িক বিষয়াক অৰ্পণ কৰিব আৰু তেওঁ সন্দেহজনক তথ্য লাভ কৰিলে প্ৰয়োজন সাপেক্ষে পৰৱৰ্তী তদন্ত আগবঢ়াব। ছিংগাপুৰ চৰকাৰে ইতিমধ্যে এই ঘটনা সন্দৰ্ভত অসম আৰক্ষীৰ চি আই ডিৰ মুৰব্বীসহ দুজন বিষয়াক দেশখনলৈ যোৱাৰ বাবে অনুমতি দিছে। অহা ২১ অক্টোবৰত ছিংগাপুৰ আৰু অসম আৰক্ষীৰ মাজত হ'বলগীয়া বৈঠকত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত অধিক স্পষ্ট তথ্য লাভ কৰিব পৰা যাব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

ইপিনে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ নেতৃত্বত গঠন কৰা এজনীয়া ন্যায়িক আয়োগে এই ঘটনা সম্পৰ্কত তথ্য সংগ্ৰহৰ বাবে ৰাজহুৱা জাননী জাৰি কৰিছে। সেই অনুসৰি এই ঘটনা সন্দৰ্ভত কোনো লোকৰ হাতত কোনো তথ্য থাকিলে তেওঁলোকে শপতনামাৰ জৰিয়তে এই তথ্য আয়োগক জনাব পাৰিব। গুৱাহাটীৰ চানমাৰিৰ খাদী আৰু গ্ৰাম্যোদ্যোগ পৰিষদৰ কাৰ্যালয়ত থকা আয়োগৰ কাৰ্যালয়ত অহা ৩ৰ পৰা ২১ নৱেম্বৰৰ ভিতৰত এনে তথ্য সম্বলিত শপতনামা দাখিল কৰিব পৰা যাব বুলি এখন চৰকাৰী বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০০০

আজি কাতি বিহু। আহিন আৰু কাতিৰ দোমাহীৰ দিনা কাতি বিহু পালন কৰি কৃষকসকলে শস্য শ্যামলা পথাৰৰ আশাৰে প্ৰাৰ্থনা জনায়। এই কাতি বিহু হৈছে অসমৰ জাতীয় উৎসৱ তিনি বিহুৰ অন্যতম। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কাতি বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে তুলসী তলৰ বন্তিগছিয়ে সকলোলৈকে সুখ সমৃদ্ধি কঢ়িয়াই অনাৰ লগতে কৃষকৰ আশাৰ ধাননিডৰা সোণগুটিৰে উপচি পৰি ঘৰে ঘৰে লখিমীৰ বসতি হোৱাৰ কামনা কৰে।

মূলতঃ কৃষিজীৱীসকলৰ চেনেহৰ এই বিহুত পথাৰৰ লখিমীক আদৰাৰ পূৰ্বে খেতি পথাৰত চাকি আৰু আকাশবন্তি জ্বলাই সেৱা জনোৱা হয়।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাতি বিহু পালনৰ প্ৰস্তুতি চলিছে। কাতি বিহু উপলক্ষে গধূলি তুলসীৰ তলত বন্তি জ্বলোৱাৰ লগতে ভঁৰালঘৰ, গোহালি, পদূলি আদিত চাকি বন্তি জ্বলাই কৃষিজীৱী ৰাইজে মংগল কামনা কৰিব।

কৃষি বিভাগৰ উদ্যোগত ৰাজ্যৰ প্ৰতিটো কৃষি মহকুমাত কাতি বিহু উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আজি বিভাগৰ উদ্যোগত প্ৰগতিশীল কৃষকক সম্বৰ্ধনা, আকাশবন্তি প্ৰজ্বলন, সজাগতা সভা তথা বিভাগীয় আঁচনি সন্দৰ্ভত আলোচনা আৰু কৃষি সামগ্ৰী/কৃষি সঁজুলি আদিও বিতৰণ কৰা হ'ব।

ৰাজ্যৰ অন্যান্য জিলাসমূহৰ লগতে গোৱালপাৰা জিলাতো কাতি বিহু উপলক্ষে ঘৰে ঘৰে সন্ধিয়া তুলসীৰ তলত আৰু পথাৰত বন্তি প্ৰজ্বলন কৰা হ'ব। গোৱালপাৰা জিলা কৃষি বিষয়াৰ কাৰ্যালয়ে জিলাখনত আগিয়াৰ বাপুপাৰা গাঁৱত কাতি বিহু পালনৰ লগতে বিভাগীয় আঁচনি সন্দৰ্ভত সজাগতা সভা অনুষ্ঠিত কৰিব। এই সভাতেই কৃষকৰ মাজত কৃষি সামগ্ৰীও বিতৰণ কৰা হ'ব।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ গোলাপ শইকীয়া সোঁৰৰণী অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাত নুনমাটিৰ অসম জাতীয় বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী নিষ্ঠা বৰগোহাঁইয়ে প্ৰথম স্থান অধিকাৰ কৰিছে। গহপুৰৰ নিউ স্কলাৰ্ছ একাডেমীৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰী দিব্যা আত্ৰেয়ই দ্বিতীয় স্থান, যোৰহাটৰ মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী অন্বেষা ফুকন আৰু গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰ ৰোহিত গাঁওখোৱাই যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰিছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰত হ'বলগীয়া পুৰস্কাৰ বিতৰণ অনুষ্ঠানৰ তাৰিখ যথাসময়ত প্ৰকাশ কৰা হ'ব। প্ৰথম তিনিটা স্থান লাভ কৰা আটাইকেইগৰাকী বিজয়ী প্ৰতিযোগীলৈ একোটাকৈ স্মাৰক, প্ৰমাণপত্ৰ, গ্ৰন্থ আৰু এটাকৈ ৰেডিঅ'ছেট পুৰস্কাৰ হিচাপে প্ৰদান কৰা হ'ব। আজিৰ বাতৰিত আমি দ্বিতীয় স্থান লাভ কৰা গহপুৰৰ নিউ স্কলাৰ্ছ একাডেমীৰ ছাত্ৰী দিব্যা আত্ৰেয়ই পঢ়া বাতৰিৰ অংশ প্ৰচাৰ কৰিবলৈ লৈছোঁ।

*(বাইট ঃ দিব্যা)*

এয়া আছিল গোলাপ শইকীয়া সোঁৰৰণী বাতৰি পঢ়া প্ৰতিযোগিতাত দ্বিতীয় স্থান বিজয়ী গহপুৰৰ দিব্যা আত্ৰেয়।

০০০০০০

অসমত ৰে'ল সেৱা বিশেষকৈ যাত্ৰীবাহী ৰে'ল সেৱাক অধিক জনমুখী কৰা সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ প্ৰাক্তন মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া ছিতু সিং হাজং, সাংবাদিক ত্ৰিদীপ লহকৰ আৰু অসম ৰে'লযাত্ৰী সংস্থাৰ সাধাৰণ সম্পাদক দীপংকৰ শৰ্মাই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'ল সেৱাৰ সাম্প্ৰতিক অৱস্থা সম্পৰ্কত আলোচনা কৰিব। এই আলোচনাৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে দীপাৱলী উপলক্ষে জিলাসমূহত অহা ২১ অক্টোবৰত বন্ধৰ দিন ঘোষণা কৰিছে। কামৰূপ মহানগৰ, ডিব্ৰুগড়, হোজাই আৰু বজালী জিলাতো ২১ অক্টোবৰত দীপাৱলীৰ বাবে স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে। হোজাইত সেইদিনা জিলাখনৰ সকলো চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান, বিত্তীয় প্ৰতিষ্ঠান আদি বন্ধ থাকিব। অৱশ্যে ইতিমধ্যে নিৰ্ধাৰিত বিদ্যালয় আৰু মহাবিদ্যালয়ৰ যিকোনো পৰীক্ষাৰ ক্ষেত্ৰত এই স্থানীয় বন্ধৰ কোনো প্ৰভাৱ নপৰিব বুলি হোজাইৰ জিলা আয়ুক্তই জাৰি কৰা এটা নিৰ্দেশনাত উল্লেখ কৰা হৈছে।

০০০০০০

মাধ্যমিক শিক্ষা সঞ্চালকালয়ে কালি স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ বাবে অনুষ্ঠিত টেট তথা নিযুক্তি পৰীক্ষাৰ ফলাফলসমূহ ঘোষণা কৰে। মুঠ ৯ হাজাৰ ৭১৭ টা স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ বাবে অনুষ্ঠিত এই পৰীক্ষাত ৭ হাজাৰ ৮৫০ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। ইয়াৰে স্নাতক শিক্ষক পদত ৬ হেজাৰ ৫৭১ গৰাকী আৰু স্নাতকোত্তৰ শিক্ষক পদত এহেজাৰ ২৭৯ গৰাকী উত্তীৰ্ণ হৈছে। উত্তীৰ্ণ পৰীক্ষাৰ্থীসকলৰ নথিসমূহ অহা ২৯ অক্টোবৰৰ পৰা এক নৱেম্বৰলৈ কাহিলিপাৰাৰ সমগ্ৰ শিক্ষা কাৰ্যালয়ত পৰীক্ষা কৰা হ'ব। উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ নাম, শাখা আৰু সূচী সমগ্ৰ শিক্ষাৰ ৱেবছাইট ssa.assam.gov.in ত উপলব্ধ হ'ব। উল্লেখযোগ্য যে, অহা ২৫ অক্টোবৰৰ ভিতৰত নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক শিক্ষক পদৰ ফলাফলসমূহো ঘোষণা কৰা হ'ব।

০০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত অনুষ্ঠিত বৰ্ষাবিঘ্নিত এখন খেলত দক্ষিণ আফ্ৰিকাই শ্ৰীলংকাক ১০ উইকেট পৰাস্ত কৰে। দক্ষিণ আফ্ৰিকাই ১২১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৪ অভাৰ ৫টা বলত এটাও উইকেট নেহেৰুৱাকৈ নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে শ্ৰীলংকাই প্ৰথমে বেট ধৰি ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১০৫ ৰান সংগ্ৰহ কৰে। বৰষুণৰ বাবে ৫০ অভাৰৰ খেলখন ২০ অভাৰলৈ হ্ৰাস কৰা হয় আৰু ডি এল এছ্ পদ্ধতি অনুসৰি দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ১২১ ৰানৰ সংশোধিত লক্ষ্য নিৰ্ধাৰণ কৰি দিয়া হয়। দক্ষিণ আফ্ৰিকাৰ অধিনায়ক লৌৰা উলভাৰ্দতে ৪৭টা বলত ৬০ ৰান কৰাৰ লগতে নংকুলুলেকু ম্লাবাই ৩টা উইকেট দখল কৰে। শ্ৰীলংকাৰ ভিষ্মী গুনাৰত্নেই ৩৪ ৰান কৰে। লৌৰা উলভাৰ্দতক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি নিউজিলেণ্ড পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্টজত শুনিছে। নামনি অসমৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ মেগা হাৰ্টজত আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ পৰা, ১০৩ দশমিক ৩ মেগা হাৰ্টজত আকাশবাণী ধুবুৰী কেন্দ্ৰৰ পৰা, ১০২ দশমিক ৬ মেগা হাৰ্টজত গোৱালপাৰা ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

## NEWS PAPER REV.

তিনিচুকীয়া জিলাৰ কাকপথাৰৰ সেনাশিবিৰত মাজনিশা নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফা স্বাধীনে বৃহস্পতিবাৰে মাজনিশা আক্ৰমণ কৰাৰ ফলত তিনিগৰাকী সেনাবাহিনীৰ জোৱান আহত হয়। **নিয়মীয়া বাৰ্তা** কাকতে এই বাতৰি প্ৰকাশ কৰিছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে, উগ্ৰপন্থী সংগঠন কেইটাই হিংসাত্মক কাৰ্য কৰি থকাৰ সলনি শান্তি আলোচনাত অংশগ্ৰহণ কৰিব লাগে। **দ্য ছেণ্টিনেল** কাকতে এই বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

জুবিন গাৰ্গৰ হত্যাৰ গোচৰত অভিযুক্ত শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তক কালি হাফলং জেললৈ লৈ যোৱাৰ পথত লংকাত আৰক্ষীৰ বাহনলৈ চেণ্ডেল নিক্ষেপ কৰাৰ লগতে জেলৰ সন্মুখত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হোৱাৰ বাতৰি **অসমীয়া প্ৰতিদিন** আৰু **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলী জনোৱাৰ উদ্দেশ্যে কালি লোকসভাৰ বিৰোধী দলপতি কংগ্ৰেছ নেতা ৰাহুল গান্ধী অসমত উপস্থিত হোৱাৰ বাতৰি দ্য **টাইমছ অব ইণ্ডিয়া** কাকতে প্ৰকাশ কৰিছে। ৰাহুল গান্ধীয়ে কয়, যে কাঞ্চনজংঘাৰ দৰেই সত্য আৰু স্বচ্ছ আছিল জুবিন গাৰ্গ। এয়া **অসমীয়া খবৰ** কাকতৰ বাতৰি।

জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত ছিংগাপুৰ আৰক্ষীয়ে প্ৰকাশ কৰা বিবৃতি অনুসৰি শিল্পীগৰাকীৰ মৃত্যুত কোনো অস্বাভাৱিকতা নাই। **দি আছাম ট্ৰিবিউন কাকতে** এই বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

**আমাৰ অসম** কাকতে আজি কাতি বিহু উদযাপন কৰিবলৈ ৰাজ্যবাসী সাজু হোৱাৰ বাতৰি আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

কালি ঘোষণা কৰা টি চি আৰৰ ফলাফল অনুসৰি স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ বাছনিত ৭ হাজাৰ ৮৫০ গৰাকী প্ৰাৰ্থী উত্তীৰ্ণ হোৱাৰ বাতৰি **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে  বতৰ আংশিকবাৰে ডাৱৰীয়া হৈ থাকিব। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ লগতে বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত